**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-AUG-2025
**Time :** 7-05 AM

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে ৪৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত মাহৰ ২৯ তাৰিখে চীন আৰু জাপান ভ্ৰমণ কৰিব।

৩। উচ্চতম ন্যায়ালয়ে কালি দেশৰ নিৰ্বাচন আয়োগক নাম নথকা ভোটদাতাসকলৰ আবেদনৰ প্ৰপত্ৰ অনলাইনযোগে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

৪। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে আজি সমগ্ৰ দেশতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।
*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

ooooo

উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে ৪৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। ইতিমধ্যে ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন আইন ১৯৫২ৰ অধীনত ১৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰ কৰা হৈছে। ২৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ কালি পৰীক্ষাৰ বাবে লোৱা হৈছে। ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। চি পি ৰাধাকৃষ্ণণক এন ডি এৰ আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীক ইণ্ডি মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। বিগত মাহত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচনৰ আয়োজন কৰা হৈছে। এয়া হ'ব ১৭ সংখ্যক উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত মাহৰ ২৯ তাৰিখে চীন আৰু জাপান ভ্ৰমণ কৰিব। ২৯ আৰু ৩০ আগষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৫ সংখ্যক ভাৰত-জাপান বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। এয়া হ'ব শ্ৰীমোদীৰ জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰো ইশ্বিবাৰ সৈতে প্ৰথমখন সন্মিলন। এই ভ্ৰমণকালত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু জাপানৰ মাজত প্ৰতিৰক্ষা, নিৰাপত্তা, বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি আৰু উদ্ভাৱনকে ধৰি বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰিব। এই আলোচনাত আঞ্চলিক আৰু আন্তৰ্জাতিক বিষয় সমূহতো গুৰুত্ব আৰোপ কৰা হ'ব। ৩১ আগষ্ট আৰু ১ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে চীন ভ্ৰমণ কৰিব। তেওঁ তিয়ানচিনত ছাংহাই সহযোগিতা সংস্থা সন্মিলনত উপস্থিত থাকিব। এই আপাহতে প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশ্বৰ কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত সম্ভাৱনা আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২ ছেপ্তেম্বৰত নতুন দিল্লীত ছেমিকন ইণ্ডিয়া ২০২৫ৰ চতুৰ্থ সংস্কৰণ মুকলি কৰিব। তিনিদিনীয়াকৈ হ'বলগীয়া এই অনুষ্ঠানত মাইক্ৰ' ইলেকট্ৰনিকছ আৰু ছেমি কণ্ডাক্টৰৰ মূল্য

শৃংখলত দেশৰ ক্ৰমবৰ্ধমান সামৰ্থ আৰু উচ্চাকাংক্ষাক প্ৰতিফলিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। নতুন দিল্লীত কালি অনুষ্ঠিত এখন সংবাদ মাধ্যমক সম্বোধন কৰি ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সচিব এছ্ কৃষ্ণনে কয়, যে প্ৰথমবাৰৰ বাবে এই প্ৰদৰ্শনীত জাপান, দক্ষিণ কোৰিয়া, ছিংগাপুৰ আৰু মালয়েছিয়াৰ দৰে আন্তঃৰাষ্ট্ৰীয় পেভেলিয়নসমূহৰো প্ৰদৰ্শন কৰা হ'ব। তেওঁ কয়, যে বিশ্বৰ ১৮ খন দেশৰ প্ৰায় ৩৫০টা প্ৰদৰ্শনীমূলক কোম্পানীয়ে নিজৰ সামগ্ৰীৰ প্ৰদৰ্শন কৰিব। শ্ৰীকৃষ্ণনে লগতে কয়, যে এই অনুষ্ঠানত দেশৰ ৯ খন ৰাজ্যই অংশগ্ৰহণ কৰিব।

ছেমিকন ইণ্ডিয়া ২০২৫ৰ লক্ষ্য হৈছে বিশ্বব্যাপি সহযোগিতাৰ মাধ্যম হিচাপে কাম কৰাৰ লগতে থলুৱা উদ্ভাৱনক সমৰ্থন কৰা আৰু ভাৰতৰ ভূমিকাক বিশ্বাসযোগ্য তথা প্ৰতিযোগিতামূলক ইলেকট্ৰনিকছ্ উৎপাদন কেন্দ্ৰ হিচাপে শক্তিশালী কৰা। ই বিশ্বমানৰ ছেমি কণ্ডাক্টৰ উদ্যোগ গঢ়ি তোলাৰ দিশত দেশৰ শক্তিশালী প্ৰচেষ্টাক প্ৰতিনিধিত্ব কৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ে কালি দেশৰ নিৰ্বাচন আয়োগক নাম নথকা ভোটদাতাসকলৰ আবেদনৰ প্ৰপত্ৰ অনলাইনযোগে গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ বাবে প্ৰপত্ৰৰ লগত নিৰ্বাচন আয়োগে উল্লেখ কৰি দিয়া ১১খন নথিপত্ৰৰ যিকোনো এখন অথবা কেৱল আধাৰ কাৰ্ডৰ প্ৰতিলিপি গ্ৰহণ কৰিব পৰা যাব বুলিও ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। যোৱা ২৬ জুনত নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশনাক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ দিয়ে। ন্যায়াধীশ সূৰ্যকান্ত আৰু জয়মাল্য বাক্সিৰ খণ্ড বিচাৰপীঠে গোচৰটোৰ শুনানি গ্ৰহণ কৰি আবেদনৰ প্ৰপত্ৰ অফলাইন ব্যৱস্থাযোগে গ্ৰহণ কৰাৰ পৰিৱৰ্তে অনলাইন ব্যৱস্থাৰে গ্ৰহণৰ নিৰ্দেশ দিয়ে। বিচাৰপীঠখনে ৰাজনৈতিক দলসমূহৰ লগতে বুথ পৰ্যায়ৰ এজেণ্টসকলক সমগ্ৰ ৰাজ্যতে ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰা লোকসকলক সহায় কৰিবলৈ পৰামৰ্শ দিয়ে।

০০০০০

উচ্চতম ন্যায়ালয়ে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ১০০ শতাংশ পুনৰীক্ষণৰ বাবে দাখিল কৰা আবেদন সন্দৰ্ভত কালি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু ভাৰতৰ মহা পঞ্জীয়কলৈ জাননী জাৰি কৰিছে। লগতে বৰ্তমান ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ অসমৰ মুখ্য সমন্বয়ক গৰাকীলৈকো সৰ্বোচ্চ ন্যায়ালয়ে জাননী জাৰি কৰিছে। অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰাক্তন সমন্বয়ক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হিতেশ দেৱশৰ্মাই যোৱা জুলাই মাহত এই সন্দৰ্ভত দাখিল কৰা আবেদন কালি ন্যায়াধীশ পি নৰসিমহা আৰু ন্যায়াধীশ অতুল চন্দুৰকাৰকলৈ গঠিত খণ্ড বিচাৰপীঠে বিচাৰৰ বাবে গ্ৰহণ কৰে আৰু সংশ্লিষ্ট পক্ষলৈ জাননী জাৰি কৰে।

০০০০০

আজি দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱস। সমগ্ৰ দেশতে এই দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই দিনটোৱে চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম লেণ্ডাৰৰ সফল অৱতৰণ আৰু ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰত প্ৰজ্ঞান ৰভাৰ সফলতাৰে কঢ়িয়াই নিয়াৰ স্মৃতিক সোঁৱৰায়। চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা চতুৰ্থখন ৰাষ্ট্ৰ আৰু দক্ষিণ মেৰুৰ কাষ চপা প্ৰথমখন ৰাষ্ট্ৰ হিচাপে ভাৰত পৰিগণিত হৈছে। এই দিৱসৰ এইবছৰৰ বিষয়বস্তু হৈছে- "আৰ্য্যভট্টৰ পৰা গগণযানলৈ: প্ৰাচীন প্ৰজ্ঞাৰ পৰা অসীম সম্ভাৱনালৈ।"

ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ লগত সংগতি ৰাখি কালি নতুন দিল্লীত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই ৰাষ্ট্ৰীয় মহাকাশ সন্মিলন ২.০ আয়োজন কৰে। এই বৈঠকত ভাৰতৰ মহাকাশ

প্ৰয়োগৰ কাৰ্যক্ৰমণিকা যুগুত কৰাৰ বাবে কেইবাটাও মন্ত্ৰালয়, ব্যক্তিগত অংশীদাৰ, একাডেমী, ষ্টাৰ্টআপ, আৰু বিশেষজ্ঞ মিলিত হয়। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে মহাকাশ বিভাগে যুৱক-যুৱতীসকলক মহাকাশ বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্য বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। ফিজিকেল ৰিচাৰ্চ লেবৰেটৰীয়ে চলিত মাহত আহমেদাবাদ, উদিয়াপুৰ আৰু মাউণ্ট আবুত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰিছে।

০০০০০

নতুন দিল্লীত অহা ৩ আৰু ৪ ছেপ্তেম্বৰত ৫৬ সংখ্যক জি এছ টি পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ অধ্যক্ষ হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ডিচেম্বৰ মাহত ৰাজস্থানৰ জয়ছালমেৰত অনুষ্ঠিত হোৱা জি এছ টি পৰিষদৰ শেষৰখন বৈঠকত সামগ্ৰী আৰু সেৱা কৰ চমুকৈ জি এচ টি সম্পৰ্কীয় কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে ভাৰতে উদ্ভাৱন আৰু প্ৰযুক্তি প্ৰসাৰিত কৰাৰ লগতে ঘৰুৱা কোম্পানীসমূহক উপযুক্ত সুবিধা প্ৰদান কৰি শক্তিশালী প্ৰতিৰক্ষা পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে। তেওঁ কয়, দেশখনে পঞ্চম প্ৰজন্মৰ যুদ্ধ বিমান নিৰ্মাণৰ লগতে বিমানখনৰ ইঞ্জিন নিৰ্মাণৰ দিশত আগবাঢ়িছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে, ফ্ৰান্সৰ ছাফ্ৰান নামৰ প্ৰতিষ্ঠানটোৰ সহযোগত ভাৰতে দেশীয়ভাৱে ইঞ্জিন নিৰ্মাণৰ কাম আৰম্ভ কৰিব।

কালি নতুন দিল্লীত অনুষ্ঠিত এটা ৰাজহুৱা অনুষ্ঠানত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে ৯৭ খন তেজস যুদ্ধ বিমান নিৰ্মাণৰ বাবে হিন্দুস্তান এৰ'নটিকছ লিমিটেড চমুকৈ এইচ এ এললৈ ৬৬ হাজাৰ কোটি টকাৰ অনুমোদন দিছে। তেওঁ লগতে কয়, যে ইয়াৰ পূৰ্বে এইচ এ এলক ৪৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ৮৩ খন বিমান নিৰ্মাণৰ নিৰ্দেশ দিয়া হৈছিল। ৰাজনাথ সিঙে সকলো বিদেশী কোম্পানী আৰু বিনিয়োগকাৰীক দেশৰ প্ৰতিৰক্ষা নিৰ্মাণ ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ প্ৰতিৰক্ষা খণ্ডত উদ্ভাৱন আৰু প্ৰযুক্তিৰ প্ৰসাৰৰ বাবে ইনোভেচন ফৰ ডিফেন্স এক্সিলেন্স আৰম্ভ কৰা বুলি উল্লেখ কৰে। চৰকাৰে ব্যক্তিগত খণ্ডক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বিনিয়োগৰ বাবে উপযুক্ত পৰিবেশ প্ৰদান কৰাৰ লগতে যুদ্ধ বিমান, হেলিকপ্টাৰ, টেংক, চাবমেৰিনকে ধৰি প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণৰ সুবিধা প্ৰদান কৰিছে বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

চৰকাৰে ভাৰতত টিকটকৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা বাতিল কৰা সন্দৰ্ভত কোনো জাননী জাৰি কৰা নাই বুলি কালি স্পষ্ট কৰি দিছে। ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে টিকটকৰ নিষেধাজ্ঞা বাতিল সন্দৰ্ভত প্ৰচাৰ হৈ থকা বাতৰিসমূহ ভুৱা আৰু বিভ্ৰান্তিকৰ। ভাৰতত টিকটকৰ ৱেবছাইটৰ হোমপেজত ব্যৱহাৰকাৰীয়ে প্ৰৱেশ কৰিব পৰা বুলি বাতৰি প্ৰকাশ হৈ থকাৰ সময়তে মন্ত্ৰালয়ে এই স্পষ্টীকৰণ দিছে।

০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব আৰু যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে যোৱা বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱা মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

জ্যেষ্ঠ কমিউনিষ্ট নেতা তথা প্ৰাক্তন সাংসদ ছুৰাভৰম সুধাকৰ ৰেড্ডীৰ কালি হায়দৰাবাদৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ। তেওঁ ২০১২ৰ পৰা ২০১৯ চনলৈ চিপিআই সাধাৰণ সম্পাদক হিচাপে দলটোলৈ সেৱা আগবঢ়াইছিল। শ্ৰমিকৰ অধিকাৰ আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁৰ বলিষ্ঠ ভূমিকাৰ বাবে সকলোৰে পৰা সন্মান লাভ কৰিছিল। ছুৰাভৰম সুধাকৰ ৰেড্ডীয়ে ১৯৯৮ আৰু ২০০৪ চনত নালগোণ্ডা সমষ্টিৰ পৰা দুবাৰকৈ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। তেলেংগানাৰ মেহবুবনগৰত জন্মগ্ৰহণ কৰা সুধাকৰ ৰেড্ডীয়ে ছাত্ৰ জীৱনতে ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিছিল। তেওঁ জনসাধাৰণৰ প্ৰতি উৎসৰ্গিত এগৰাকী সাংসদ আৰু প্ৰান্তীয় ৰাইজৰ অধিকাৰৰ হকে মাত মতা এগৰাকী ব্যক্তি হিচাপে সুপৰিচিত আছিল।

ooooo

সমাপ্ত